# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

ৰাজ্যিক মন্ত্ৰীসভাই সংস্কৃত শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্যে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৯৭ খন সংস্কৃত-পালি টোলক বিজ্ঞান আৰু গণিতৰ দৰে আধুনিক বিষয়ৰ লগতে সংস্কৃত, বেদ, জ্যোতিষশাস্ত্ৰ, বাস্তুশাস্ত্ৰৰ বিশেষ বিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ  সিদ্ধান্ত লৈছে। মন্ত্ৰীসভাই নলবাৰীৰ সংস্কৃত মহাবিদ্যালয়ক সংস্কৃত অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰিছে।  মন্ত্ৰীসভাই লগতে গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰলৈ যোৱা পথৰ সম্প্ৰসাৰণৰ বাবে অতিৰিক্ত ১১৬ কোটি ২০ লাখ টকাত অনুমোদন জনায়। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে মন্ত্ৰীসভাই ৰাজ্যৰ সাহিত্য ক্ষেত্ৰলৈ অভূতপূৰ্ব অৰিহণা আগবঢ়োৱা বিশিষ্ট সাহিত্যিকসকলক সন্মান জনোৱাৰ বাবে অসম সাহিত্য বঁটা আৰু পেঞ্চন নিয়মাৱলী ১৯৭৪ ৰ সংশোধনৰ প্ৰস্তাৱতো অনুমোদন দিছে। ইয়াৰ জৰিয়তে প্ৰকৃত সাহিত্যিকসকলক বঁটা আৰু পেঞ্চন প্ৰদানৰ বাবে নিয়মাৱলীৰ কিছু সাল সলনি কৰা হ'ব। এই অনুসৰি ৬০ বছৰ বা ইয়াৰ উৰ্ধৰ ব্যক্তিলৈহে বঁটা আগবঢ়োৱা হ'ব। বঁটা প্ৰাপক সাহিত্যিকগৰাকীয়ে আন কোনো পেঞ্চন লাভ কৰি থাকিলে তেওঁক প্ৰশস্তিপত্ৰ আৰু এককালীন বঁটা হিচাপে ৫০ হাজাৰ টকা আগবঢ়োৱা হ'ব। মুখ্যমন্ত্ৰীয়ে ২০২১ চনৰ অসম গৰু-মহ সংৰক্ষণ আইনখন শক্তিশালী কৰাৰ উদ্দেশ্যে মন্ত্ৰীসভাই হোটেল, ৰেষ্টুৰেণ্ট আৰু ৰাজহুৱা স্থানত গো-মাংসৰ পৰিৱেশন নিষিদ্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি প্ৰকাশ কৰে।

ooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীশৰ্মাই কয়, যে  ৰাজ্যৰ প্ৰায় এক লাখ কোটি টকাৰ আন্তঃগাথনি প্ৰকল্প বিভিন্ন পৰ্যায়ত আছে। তেওঁ কয়, যে ৰাজ্য চৰকাৰে ২৫ ফেব্ৰুৱাৰীৰ পূৰ্বে কেইবাটাও প্ৰকল্পৰ অনুমোদন লাভৰ বাবে চেষ্টা চলাই আছে। ইয়াৰ ভিতৰত বঙাইগাঁও শোধনাগাৰৰ শোধন ক্ষমতা ৫ মিলিয়ন মেট্ৰিক টনলৈ বৃদ্ধিৰ পৰিকল্পনা, নামৰূপৰ সাৰ কাৰখানাৰ পৰিসৰ বৃদ্ধি, অতি সোনকালে নাৰেঙ্গী-কুৰুৱা দলংসহ গুৱাহাটী ৰিং ৰোডৰ নিৰ্মাণৰ আধাৰশিলা স্থাপনৰ ব্যৱস্থা, কাজিৰঙাৰ এলিভেটেড কৰিডৰ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ, বৰাপানীৰ পৰা শিলচৰ পথছোৱা ৪ ঘণ্টাত অতিক্ৰমৰ ব্যৱস্থা আদি কেইবাটাও প্ৰকল্পৰ কথা তেওঁ উল্লেখ কৰে।

ooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি গাঁৱত ৰাজ্যপাল উদ্যমৰ অংশ হিচাপে নগাঁও জিলাৰ টকলাই বাবেজিয়া গাওঁ পৰিদৰ্শন কৰে আৰু গাওঁবাসীৰ সৈতে মত বিনিময় কৰে। তেওঁ গাওঁবাসীৰ বাবে ৰূপায়ণ কৰা বিভিন্ন

উন্নয়নমূলক কাম-কাজৰো বুজ লয়। ভ্ৰমণকালত ৰাজ্যপালগৰাকীয়ে ৰহাৰ বগলাজানত উপস্থিত হৈ ৰহা-কামপুৰ পথৰ কপিলী নৈৰ খহনীয়া পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে চলিত বছৰৰ বানত পথটোৰ সেই অঞ্চলত কপিলী নৈৰ গৰাখহনীয়াৰ ফলত যাতায়ত ব্যাহত হৈছিল। ইয়াৰ পাছতে ৰাজ্যপালগৰাকীয়ে অঞ্চলটোৰ বান ক্ষতিগ্ৰস্ত জনসাধাৰণৰ বিভিন্ন সা-সুবিধাৰ বুজ লোৱাৰ লগতে তেওঁলোকে চৰকাৰী সাহায্য লাভ কৰিছে নে নাই সেই বিষয়ে বুজ লয়। তেওঁ বগলাজান পঞ্চায়তৰ ধেমাজি গাঁৱত নিৰ্মাণ কৰা অমৃত সৰোবৰ প্ৰকল্প পৰিদৰ্শন কৰে আৰু বাহাকাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰে। পাছত ৰাজ্যপালগৰাকীয়ে নগাওঁত জিলা আয়ুক্তৰ অভিৱৰ্তন কক্ষত এখন বৈঠকত মিলিত হয়। বৈঠকত ৰাজ্যপালগৰাকীয়ে যোৱা বছৰ বানত হোৱা ক্ষয়-ক্ষতি আৰু চৰকাৰে গ্ৰহণ কৰা পুনৰ নিৰ্মাণ কাৰ্যৰ বুজ লয়। বৈঠকত ৰাজ্যপাল শ্ৰীআচাৰ্যই চৰকাৰী কাম-কাজত ফল যাতে সকলো হিতাধিকাৰীয়ে লাভ কৰে সেয়া সুনিশ্চিত কৰাৰ বাবে সতৰ্কতা বৰ্তাই ৰাখিবলৈ প্ৰশাসনৰ প্ৰতি আহ্বান জনায়।

০০০০০

শিৱসাগৰ জিলা ছাত্ৰ সন্থাই আজি কালী প্ৰসাদ সোঁৱৰণী ভৱনত আয়োজিত এটা গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানত সাহিত্য একাডেমী বঁটা প্ৰাপক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অসম আৰক্ষীৰ প্ৰাক্তন সঞ্চালক প্ৰধান ড০ কুলধৰ শইকীয়াক ২০২৪ বৰ্ষৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰে। এই বঁটাত এখন অংগবস্ত্ৰ, প্ৰশস্তিপত্ৰ আৰু এটা স্মাৰক আছে।

০০০০

বিজেপি নেতা দেবেন্দ্ৰ ফাড়ণবীছে কাইলৈ বিয়লি মুম্বাইৰ আজাদ ময়দানত আয়োজিত এটা আড়ম্বৰপূৰ্ণ অনুষ্ঠানত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থকাৰ কথা আছে।

ইয়াৰ পূৰ্বে বিজেপিৰ দেৱেন্দ্ৰ ফাড়নবিছ, শিৱসেনাৰ নেতা তথা তত্বাৱধায়ক মুখ্যমন্ত্ৰী একনাথ সিন্দে আৰু এন চি পিৰ নেতা অজিত পাৱাৰে ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণনক সাক্ষাৎ কৰি পৰৱৰ্ত্তী চৰকাৰৰ দাবী উত্থাপন কৰে। তেওঁলোকে ৰাজ্যপাল গৰাকীক মহাযুটিৰ মুঠ ২৩৭গৰাকী বিধায়কৰ এখন সমৰ্থনপত্ৰ প্ৰদান কৰে। ৰাজ্যপালক সাক্ষাতৰ সময়ত বিজেপিৰ কেন্দ্ৰীয় পৰ্যবেক্ষক, কেন্দ্ৰীয় মন্ত্ৰী নিৰ্মলা সীতাৰমন আৰু গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীৰ লগতে বিধায়ক প্ৰফুল পেটেল, ৰাও চাহেব দানবে, চন্দ্ৰশেখৰ বাৱানকুলে, প্ৰবীণ ডাৰেকাৰ, সুধীৰ মুংগাণ্টিৱাৰ, গিৰিশ মহাজন আৰু ভালেমান লোক উপস্থিত থাকে।

০০০০০

ভাৰত ওমানৰ মাস্কটত অনুষ্ঠিত পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি ভাৰত খেলখনত বিৰতিৰ পৰলৈকে ৩-২ গলত আগবাঢ়ি আছিল।

০০০০০

সমাপ্ত